জাননী

ইয়াৰ দ্বাৰা জনোৱা যায় যে অসম চৰকাৰৰ ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ সঞ্চালকালয়ে বিশেষ বিত্তীয় সাহায্য আঁচনিৰ অধীনত অসমৰ ভৈয়াম জনজাতি সম্প্ৰদায়ৰ মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰী সকললৈ বিশেষ আৰ্থিক সাহায্য প্ৰদান কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে । ইচ্ছুক ছাত্ৰ-ছাত্ৰী সকলে তলত উল্লেখিত পৰীক্ষাত পোৱা মুঠ শতাংশ নম্বৰৰ ভিত্তিতহে আবেদন পত্ৰ দাখিল কৰিব পাৰিব ।

(ক) হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৮০% নাইবা তাৰ ওপৰত পোৱা হব লাগিব ।

(খ) উচ্চতৰ মাধ্যমিক কলা/বিজ্ঞান/বানিজ্য আৰু কাৰিকৰি শাখাৰ পৰীক্ষাত ৭৫% নাইবা তাৰ ওপৰত পোৱা হব লাগিব ।

(গ) স্নাতক কলা/বিজ্ঞান/বানিজ্য আৰু কাৰিকৰি পৰীক্ষাত ৬৫% নাইবা তাৰ ওপৰত পোৱা হব লাগিব

(ঘ) স্নাতকোত্তৰ কলা/বিজ্ঞান/বানিজ্য আৰু কাৰিকৰি পৰীক্ষাত ৬০% নাইবা তাৰ ওপৰত পোৱা হব লাগিব ।

চৰকাৰৰ এই সাহায্য আঁচনিখন অকল মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰী সকলৰ বাবেহে প্ৰযোজ্য হব যি সকলে ২০১৮ চনৰ পৰীক্ষাত উল্লেখিত মুঠ শতাংশ নম্বৰ পাইছে ।

ছাত্ৰ-ছাত্ৰী সকলে তলত উল্লেখিত প্ৰ-পত্ৰৰ আৰ্হিত আবেদন পত্ৰ পূৰণ কৰি অহা ১৫/৮/২০১৮ তাৰিখ বা তাৰ আগতে ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যান সঞ্চালকালয়ত দাখিল কৰিবলৈ অনুৰোধ কৰা হল ।

সঞ্চালক
ভৈয়াম জনজাতি আৰু অন্যান্য
পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগ, অসম,গুৱাহাটী-৬

প্ৰ-পত্ৰ

অসমৰ ভৈয়াম জনজাতি সম্প্ৰদায়ৰ মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰী সকললৈ বিশেষ বিত্তীয় সাহায্যৰ বাবে আবেদন প্ৰ-পত্ৰ ।

১) আবেদনকাৰীৰ নাম :
২) পিতৃ/মাতৃ/অভিভাৱকৰ নাম :
৩) লিঙ্গ : ছাত্ৰ/ছাত্ৰী :-
৪) বয়স ও জন্মৰ তাৰিখ :-
৫) সম্পুৰ্ণ ঠিকনাৰ লগতে ফোন নম্বৰ আৰু ই-মেইল পৰিচয় । :-
৬) অৰ্হতা শতকৰা নম্বৰ আৰু উত্তীৰ্ণ হোৱা বছৰ:-
৭) বেঙ্কৰ নাম আৰু Account No. :-
৮) বেঙ্কৰ শাখাৰ নাম আৰু IFSC No. :-

ইয়াৰ উপৰিও তলত উল্লেখিত তথ্য সমূহ প্ৰ-পত্ৰৰ লগত গাঠি দিব লাগিব ।

১) পাচপোৰ্ট আকাৰৰ ফটো ২কপি (2) জাতিগত প্ৰমান পত্ৰ (৩) হাইস্কুল শিক্ষান্ত/উচ্চতৰ মাধ্যমিক/স্নাতক/স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ নম্বৰৰ তালিকাৰ ফটো কপি ।

ইয়াৰ দ্বাৰা মই ঘোষণা কৰো যে ওপৰত উল্লেখিত তথ্য সমূহ মোৰ জ্ঞান বিশ্বাস মতে সত্য আৰু শুদ্ধ ।

আবেদন কাৰীৰ স্বাক্ষৰ